REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 22-11-2025

**Time :** 21-25 Hrs

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি বজালী জিলাৰ পাটাছাৰকুছিৰ কালদিয়া নৈৰ পাৰত থকা সুধাতীৰ্থত ভাৰতৰত্ন সন্মানেৰে বিভূষিত ড° ভূপেন হাজৰিকাৰ এটা আৱক্ষ মূৰ্তি উন্মোচন কৰে। ভূপেন হাজৰিকাৰ সন্দৰ্ভত মন্তব্য কৰি ড০ শৰ্মাই তেখেতৰ সংগীত কেৱল মনোৰঞ্জনৰ বাবে নাছিল বুলি উল্লেখ কৰি সুধাকণ্ঠৰ গীতসমূহ একো একোটা আন্দোলন বুলি অভিহিত কৰে। ভূপেন হাজৰিকাৰ গীতসমূহত নিপিড়ীতসকলৰ আশা-আকাংক্ষা তথা বঞ্চিতসকলৰ কাকুতি তথা অজস্ৰ লোকৰ সপোনৰ বাহক বুলি অভিহিত কৰে। ড০ শৰ্মাই ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী পালনৰ বছৰটোক বিশেষ হিচাপে অভিহিত কৰি পৰৱৰ্তী পৰ্যায়ত মেঘালয়, অৰুণাচল প্ৰদেশ, কলকাতা, মুম্বাই, নতুন দিল্লীত শিল্পীগৰাকীৰ স্মৃতিচাৰণ সভা অনুষ্ঠিত কৰা হব  বুলি প্ৰকাশ কৰে। তেওঁ লগতে গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত ড° ভূপেন হাজৰিকা সংগ্ৰহালয় নিৰ্মাণৰ কামো হাতত লোৱা হ'ব বুলি অৱগত কৰে। ৰাজ্যৰ বিশিষ্ট সাহিত্যিক তথা সাংবাদিক অনুৰাধা শৰ্মা পুজাৰীৰ ড° ভূপেন হাজৰিকাৰ জীৱন দৰ্শনৰ আধাৰত লিখিত গ্ৰন্থখন ৰাজ্য চৰকাৰে ১০ লাখ পৰিয়াললৈ প্ৰেৰণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে বুলি ড° শৰ্মাই মন্তব্য কৰে। কালদিয়া নৈৰ পাৰত সুধাকণ্ঠৰ এই দৃষ্টিনন্দন আৰু সুবৃহৎ প্ৰতিমুৰ্তিটো স্থাপন কৰাৰ বাবে ড° শৰ্মাই উদ্যোক্তাসকলৰ শলাগ লয়। পাটাছাৰকুছিত এটি ৰাজহুৱা প্ৰেক্ষাগৃহ নিৰ্মাণৰ বাবে দুই কোটি টকাৰ অনুদান আগবঢ়োৱা হ'ব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি বঙাইগাঁও জিলাৰ অভয়াপুৰীত মহিলা উদ্যমিতা আঁচনিৰ অধীনত আত্মসহায়ক গোটৰ ২৩ হাজাৰ ৯৪৯ গৰাকী সদস্যাক ১০ হাজাৰ টকাকৈ চেক বিতৰণৰ শুভাৰম্ভ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে প্ৰথম কিস্তিৰ ধন যদি মহিলাসকলে নিজৰ আত্মসহায়ক গোটত জমা কৰে তেনেহ'লে ১ লাখ টকাৰ এটা পুঁজি জমা হ'ব আৰু এই পুঁজিৰে তেওঁলোকে সমূহীয়াভাৱে কোনো ব্যৱসায় আৰম্ভ কৰাৰ লগতে ব্যক্তিগতভাৱে কোনো ব্যৱসায়ত বিনিয়োগ কৰিব পাৰিব। তেওঁ মহিলাসকলক উদ্যমিতা পুঁজিৰ জৰিয়তে ছাগলী, হাঁহ-কুকুৰা, গাহৰি আদি পালন, দুগ্ধ উৎপাদন আদি বিভিন্ন গাঁওকেন্দ্ৰিক জীৱিকাৰ প্ৰসাৰত আগভাগ ল'বলৈ আহ্বান জনায়।

এই অনুষ্ঠানৰ পাছতে মুখ্যমন্ত্ৰী ড° শৰ্মাই অভয়াপুৰীৰ অভয়েশ্বৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ প্ৰাঙ্গনত ৰাণী অভয়েশ্বৰীৰ এটি প্ৰতিমূৰ্তিও উন্মোচন কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি ড° শৰ্মাই তেওঁৰ চৰকাৰে ৰাইজক দিয়া প্ৰতিশ্ৰুতিসমূহ পূৰণ কৰিছে বুলি মন্তব্য কৰে।

০০০০

৬৭ সংখ্যক আকাশবাণী সংগীত সন্মিলন আজি গুৱাহাটীৰ কটন বিশ্ববিদ্যালয়ৰ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। আকাশবাণী আৰু দূৰদৰ্শনৰ উত্তৰ পূৱ মণ্ডলৰ অতিৰিক্ত সঞ্চালক প্ৰধান সত্যজিত দাসে এই অনুষ্ঠান উদ্বোধন কৰে। আকাশবাণীৰ এই অনুষ্ঠানে ভাৰতীয় লোকসংগীতৰ চহকী ঐতিহ্যক তুলি ধৰিব বুলি তেওঁ উদ্বোধনী ভাষণত উল্লেখ কৰে।

এই সন্মিলনত যশস্বী শিল্পী মনোজ বৰুৱাৰ বেহেলা বাদনে উপস্থিত দৰ্শকসকলক মোহাচন্ন কৰি তোলে।

**মিউজিক**

অনুষ্ঠানত গোৱালপৰীয়া লোকগীতৰ শিল্পী জবা চক্ৰৱৰ্তীয়ে লোকগীত পৰিবেশন কৰে।

**মিউজিক**

ঐতিহ্যমণ্ডিত ভাৰতীয় সংগীতধাৰাক বিশেষকৈ শাস্ত্ৰীয় সংগীত, লঘু শাস্ত্ৰীয় আৰু লোকসংগীতৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে কেন্দ্ৰীয় সংস্কৃতি মন্ত্ৰালয়ে প্ৰচাৰ ভাৰতীৰ উদ্যোগত ১৯৫৪ চনৰে পৰা দেশৰ বিভিন্ন স্থানত আকাশবাণী সংগীত সন্মিলনৰ আয়োজন কৰি আহিছে।

০০০০

শিলচৰৰ পৰা হাফলং হৈ গুৱাহাটীলৈ যোৱা ৰাষ্ট্ৰীয় ঘাইপথটো অহা জানুৱাৰী মাহৰ পৰা কাৰ্যক্ষম হ'ব। খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী কৌশিক ৰায়ে আজি এই কথা প্ৰকাশ কৰে। এই ঘাইপথটোৱে শিলচৰ আৰু গুৱাহাটীৰ মাজৰ যাত্ৰা সুচল আৰু ক্ষিপ্ৰ কৰি তুলিব বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। আজি মন্ত্ৰীগৰাকীয়ে হাৰাংগাজাওৰ পৰা জাতিঙ্গালৈ যোৱা পথটোৰ নিৰ্মাণ কাৰ্যও পৰিদৰ্শন কৰে। সাংবাদিকৰ আগত মন্ত্ৰীগৰাকীয়ে কয় যে হাৰাংগাজাওৰ পৰা নিৰিমবাংলোলৈ ৪৯ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথ নিৰ্মাণৰ কাম দ্ৰুতগতিত আগবঢ়িছে। পৰিকল্পনা অনুসৰি কিছু অংশত চাৰিটা লেন আৰু কিছু অংশত দুটা লেন থকা কৰিড'ৰ মুকলি কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নিৰীক্ষণত থকাৰ বাবে নিৰ্ধাৰিত সময়ৰ ভিতৰত পথটোৰ কাম সম্পন্ন হ'ব বুলিও মন্ত্ৰী দাসে প্ৰকাশ কৰে। আজিৰ এই পৰিদৰ্শনৰ সময়ত ৰাজ্যসভাৰ সাংসদ কনাড পুৰকায়স্থ, বিধায়ক মিহিৰকান্তি সোম, নিহাৰ ৰঞ্জন দাসকে ধৰি ডিমা হাছাও জিলাৰ উপায়ুক্ত, আৰক্ষী অধীক্ষক আদিও উপস্থিত থাকে।

০০০০

ধুবুৰীৰ ঐতিহ্যমণ্ডিত গুৰুদ্বাৰ গুৰু টেগ বাহাদুৰ চাহিবজীত কাইলৈৰ পৰা ২৫ নৱেম্বৰলৈকে ৩ দিনীয়া কাৰ্যসূচীৰে শিখ ধৰ্মাৱলম্বি লোকসকলৰ নৱম গুৰু শ্ৰীগুৰু টেগ বাহাদুৰ চাহিবজীৰ ৩৫০ সংখ্যক ছহিদ দিৱস পালন কৰা হ'ব। এই দিৱস উপলক্ষে ভাৰতীয় ৰে'ল বিভাগে যাত্ৰীৰ সুবিধা হোৱাকৈ ডিব্ৰুগড়-ধুবুৰী, ৰায়পুৰ-ধুবুৰী আৰু কলকাতা-ধুবুৰীৰ মাজত তিনিখন বিশেষ ৰে'লৰ ব্যৱস্থা কৰা বুলি ৰে'ল বিভাগৰ তথ্যই সদৰি কৰিছে।

০০০০

নগাওঁৰ ঐতিহ্যমণ্ডিত নুৰুল আমিন ষ্টেডিয়ামত অনুষ্ঠিত ৭৭ সংখ্যক স্বাধীনতা দিৱস কাপ ফুটবল প্ৰতিযোগিতাৰ চূড়ান্ত খেলত গুৱাহাটীৰ অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ দলে মণিপুৰ ফুটবল ক্লাৱক  পৰাস্ত কৰে। নিৰ্ধাৰিত সময়ত খেলখন ২-২ গলেৰে সমতা স্থাপন কৰাৰ পাছত পেনাল্টি শুটআউটত ১৩-১২ গলৰ ব্যৱধানত অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ গুৱাহাটীৰ দলটো বিজয়ী হয়। ৰাজ্যৰ জনসংযোগ আৰু জলসম্পদ বিভাগৰ মন্ত্ৰী পিযুষ হাজৰিকাই এই খেলখন মুকলি কৰে। ৯ নৱেম্বৰৰ পৰা অনুষ্ঠিত খেলত ৰাজ্যৰ লগতে বহিঃৰাজ্যৰ ১৬ টা দলে অংশগ্ৰহণ কৰিছিল।

ভাৰত-ভূটান মৈত্ৰী সংস্থাৰ উদ্যোগত আজিৰে পৰা ভাৰত ভূটান সীমান্তৰ চামদ্ৰুপ ঝংখাৰৰ ৰাজহুৱা খেলপথাৰত ফুটল প্ৰতিযোগিতা ২০২৫ অনুষ্ঠিত হৈছে। আজিৰ উদ্বোধনী খেলত বৰপেটাৰ ৰেডিয়েছন ক্লাৱে ভূটানৰ চাংজং ফুটবল ক্লাৱক ১-০ গলৰ ব্যৱধানত পৰাজিত কৰে।

০০০০

**ঃঃ সমাপ্ত ঃঃ**